# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 29-11-2024
**Time :** 21-25 Hrs

## *Assamese Night Bulletin*

**::::::::::::::::::::::::::::::**

০০০০০০

সদ্য সমাপ্ত বিধানসভাৰ উপ-নিৰ্বাচনত জয়ী হোৱা পাঁচগৰাকী বিধায়কে আজি বিধানসভাৰ সদস্যৰূপে শপতগ্ৰহণ কৰে। আজি বিয়লি দিছপুৰৰ নতুন বিধানসভা ভৱনত আয়োজিত এটা অনাড়ম্বৰ অনুষ্ঠানত বিধানসভা অধ্যক্ষ বিশ্বজিৎ দৈমাৰীয়ে বিধায়ক কেইগৰাকীক গোপনীয়তাৰ শপতবাক্য পাঠ কৰোৱায়। প্ৰথমে বিহালী সমষ্টিৰ পৰা নিৰ্বাচিত বিজেপি বিধায়ক দিগন্ত ঘাটোৱালে শপতগ্ৰহণ কৰে। ইয়াৰ পাছত চামগুৰিৰ পৰা নিৰ্বাচিত বিজেপি বিধায়ক দিপ্লুৰঞ্জন শৰ্মা, ছিদলীৰ পৰা নিৰ্বাচিত বি পি এফৰ বিধায়ক নিৰ্মল কুমাৰ ব্ৰহ্ম, বঙাইগাঁৱৰ পৰা নিৰ্বাচিত অসম গণ পৰিষদৰ বিধায়ক দিপ্তীময়ী চৌধুৰী আৰু ধলাইৰ পৰা নিৰ্বাচিত বিজেপি বিধায়ক নিহাৰ ৰঞ্জন দাসে শপতগ্ৰহণ কৰে।

০০০০০০

ৰাজ্যখনৰ দুটা পৰ্যটন প্ৰকল্পৰ উন্নয়নৰ বাবে কেন্দ্ৰীয় চৰকাৰে প্ৰায় ২০০ কোটি টকাৰ পুঁজি অনুমোদন জনোৱাত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক কৃতজ্ঞতা জ্ঞাপন কৰিছে। মূলধনী বিনিয়োগৰ বাবে ৰাজ্যসমূহক প্ৰদান কৰি অহা বিশেষ সাহায্যৰ অধীনত কেন্দ্ৰীয় চৰকাৰে ৰংঘৰ আৰু ৰাজ্যিক চিৰিয়াখানাৰ উন্নয়নৰ বাবে এই ধনৰাশিৰ অনুমোদন জনায়। অসম ৰাজ্যিক চিৰিয়াখানা তথা উদ্ভিদ উদ্যানৰ বাবে ৯৭ কোটি ১২ লাখ টকা আৰু শিৱসাগৰৰ ৰংঘৰৰ সৌন্দৰ্যবৰ্ধনৰ বাবে ৯৪ কোটি ৭৬ লাখ টকা কেন্দ্ৰীয় চৰকাৰে অনুমোদন জনায়। ৰাজ্যখনৰ সৰ্বাংগীন বিকাশ আৰু উন্নয়নৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী নেতৃত্বাধীন চৰকাৰখনে লোৱা এই পদক্ষেপক মুখ্যমন্ত্ৰীগৰাকীয়ে ধন্যবাদ জ্ঞাপন কৰিছে।

০০০০০০

জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই জানিবলৈ দিছে, যে বৰ্তমানলৈ প্ৰায় ১৫ জন জিলা আয়ুক্তই এটাকৈ জলজীৱন মিছন আঁচনিৰ দায়িত্ব গ্ৰহণ কৰিছে। কামৰূপ মহানগৰ, ডিব্ৰুগড়, মাজুলী, চৰাইদেউ, গোলাঘাট, ধুবুৰী, হাইলাকান্দি, দৰং আৰু ধেমাজিৰ জিলা আয়ুক্তই নিজৰ এলেকাত এটাকৈ জলজীৱন মিছন আঁচনিৰ দায়িত্ব গ্ৰহণ কৰাৰ লগতে নলযোগে বিশুদ্ধ খোৱাপানী যোগান আঁচনি পৰিদৰ্শন কৰে। এই প্ৰচেষ্টাৰ অংশ হিচাপে সাংসদ আৰু বিধায়কসকলক এটাকৈ আঁচনিৰ দায়িত্ব গ্ৰহণ কৰিবলৈ মন্ত্ৰীগৰাকীয়ে আহ্বান জনাইছে। জলজীৱন মিছনৰ সৈতে জড়িত অভিযন্তাসকলে ইতিমধ্যে এটাকৈ আঁচনিৰ দায়িত্ব গ্ৰহণ কৰিছে বুলি তেওঁ লগতে প্ৰকাশ কৰে। মন্ত্ৰীগৰাকীয়ে লগতে এনেধৰণৰ সামূহিক প্ৰচেষ্টাই ভৱিষ্যতে পানী ব্যৱহাৰকাৰী সমিতিসমূহক সঠিকভাৱে কাম কৰি যোৱাত সহায় কৰিব। তিনিচুকীয়াতো জিলা আয়ুক্ত স্বপ্নীল পালে বৰডুবি গাঁও পঞ্চায়তৰ অন্তৰ্গত কুঁৱৰী পথাৰ পানীযোগান আঁচনিৰ উপভোক্তা সমিতিৰ পৰামৰ্শদাতা

হিচাপে দায়িত্ব গ্ৰহণ কৰে। আয়ুক্তগৰাকীয়ে আজি আঁচনিখন পৰিদৰ্শনৰ কৰাৰ লগতে উপভোক্তাসকলৰ সৈতে আলোচনাত মিলিত হয়।

০০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগত অংশকালীন ব্ৰডকাষ্ট এছিছটেণ্ট নিয়োগৰ বাবে অহা ৫ ডিচেম্বৰ বৃহস্পতিবাৰে বাতৰি বিভাগৰ সঞ্চালকৰ কক্ষত এটা WALK-IN INTERVIEW অনুষ্ঠিত হ'ব। ২১ বছৰৰ পৰা ৪৫ বছৰ বয়সৰ স্নাতক প্ৰাৰ্থীয়ে এই সাক্ষাৎকাৰত অংশগ্ৰহণ কৰিব পাৰিব। প্ৰাৰ্থীৰ কম্পিউটাৰ বিষয়ক সম্যক জ্ঞান, আকাশবাণীৰ বাতৰি আৰু অনুষ্ঠান সম্পৰ্কীয় সাধাৰণ জ্ঞান থকাৰ লগতে কণ্ঠ বাণীবন্ধন আৰু সম্পাদনাৰ জ্ঞান থাকিব লাগিব। প্ৰাৰ্থী গুৱাহাটী মহানগৰীৰ ভৌগোলিক পৰিসীমাৰ ভিতৰত বাস কৰা হ'ব লাগিব। SOCIAL MEDIA অৰ্থাৎ সামাজিক মাধ্যমত কাম কৰাৰ অভিজ্ঞতা থকা প্ৰাৰ্থীক অগ্ৰাধিকাৰ দিয়া হ'ব। এই বিষয়ে বিশদ জানিবলৈ ইচ্ছুক প্ৰাৰ্থীসকলে আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ ৱেবছাইট www.newsonair.gov.in আৰু আকাশবাণীৰ জাননী ফলক চাব পাৰে।

০০০০০০

গুৱাহাটীৰ সৰুসজাইত অনুষ্ঠিত তিনিদিনীয়া উত্তৰ-পূব দিব্যাংগ ক্ৰীড়া সমাৰোহৰ আজি সামৰণি পৰে। উত্তৰ-পূবৰ আটাইকেইখন ৰাজ্যৰ পৰা অহা দিব্যাংগ খেলুৱৈয়ে এই সমাৰোহত অংশগ্ৰহণ কৰে। সামৰণি অনুষ্ঠানত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা উপস্থিত থাকে। মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে ক্ৰীড়া প্ৰতিভা বিকাশৰ পথত শাৰীৰিক সীমাবদ্ধতা কেতিয়াও বাধা হ'ব নোৱাৰে। তেওঁ আৰু কয়, যে উত্তৰ-পূব দিব্যাংগ ক্ৰীড়া সমাৰোহ, দিব্যাংগ এথলিটসকলৰ নিজৰ প্ৰতিভা প্ৰদৰ্শনৰ বাবে এখন সুন্দৰ মঞ্চ। সমাৰোহত অসমে ৫৫টা সোণ, ৪৭টা ৰূপ আৰু ২৬টা ব্ৰঞ্জৰ পদকেৰে শীৰ্ষ স্থান দখল কৰে আৰু ১৫টা সোণৰ পদকসহ অৰুণাচল প্ৰদেশে দ্বিতীয় স্থান দখল কৰে।

০০০০০০

সদৌ অসম ছাত্ৰ সন্থাৰ প্ৰাক্তন সহকাৰী সম্পাদক দুলদুল বৰকটকীয়ে আজি গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত চিকিৎসাধীন অৱস্থাত শেষ নিশ্বাস ত্যাগ কৰে। যোৱা ১৪ নৱেম্বৰত উচ্চ ৰক্তচাপত আক্ৰান্ত হোৱা বৰকটকীক গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত ভৰ্তি কৰোৱা হৈছিল। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৪৬ বছৰ।

০০০০০০

সৰুসজাই ক্ৰীড়া প্ৰকল্পৰ কৰ্মবীৰ নবীন চন্দ্ৰ বৰদলৈ ইণ্ডোৰ ষ্টেডিয়ামত অহা ৩ ডিচেম্বৰৰ পৰা গুৱাহাটী মাষ্টাৰ্ছ আন্তৰ্জাতিক বেডমিণ্টন প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। এই প্ৰতিযোগিতাখনত ভাৰতৰ লগতে ২৩ খন দেশৰ মুঠ ৪৬১ গৰাকী শ্বাটলাৰে অংশগ্ৰহণ কৰিব। ভাৰতীয় বেডমিণ্টন ফেডাৰেচনৰ সহযোগত অসম বেডমিণ্টন সন্থাই ক্ৰমাগত দ্বিতীয়বাৰৰ বাবে এই প্ৰতিযোগিতা আয়োজনৰ সুযোগ লাভ কৰিছে।

০০০০০০

**সমাপ্ত**